জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০/২০২১

## নদীদ্বীপ মাজুলীৰ চিকিৎসা সেৱা উন্নীতকৰণক লৈ স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

■ **স্নাতকোত্তৰ ডিপ্ল'মাধাৰী চিকিৎসকৰ দলে প্ৰতি ৯০ দিনৰ অন্তৰে অন্তৰে অবিৰতভাৱে মাজুলীবাসীলৈ উন্নত চিকিৎসা সেৱা আগবঢ়াব**

■ **অসম চিকিৎসা মহাবিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপকৰ দলে সলনা-সলনিকৈ প্ৰতি সপ্তাহত দুটা দিনৰ বাবে মাজুলীবাসীলৈ আগবঢ়াব চিকিৎসা সেৱা**

■ **গড়মূৰস্থিত জিলা অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ সুবিধা আৰু কিছুৰ দিনৰ ভিতৰতে উপলব্ধ হ'ব**

■ **মাজুলীৰ জটিল ৰোগীসকলৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ব্যৱস্থা কৰা হ'ব সুকীয়া কাউণ্টাৰৰ**

■ **অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত গড়মূৰস্থিত জিলা অসামৰিক চিকিৎসালয়ৰ নৱনিৰ্মিত দুমহলীয়া ভৱন ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব**

**দিছপুৰ, ৫ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াবৰ্গৰ সৈতে জিলাখনৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰি কেইটামান গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত মাজুলীৰ প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য সেৱা উন্নীতকৰণকে ধৰি স্বাস্থ্যৰ সামগ্ৰিক আন্তঃগাঁথনি উন্নীতকৰণৰ বিষয়ত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলোবোৰ চিকিৎসা মহাবিদ্যালয়ৰ এবছৰীয়া স্নাতকোত্তৰ ডিপ্ল'মাধাৰী চিকিৎসকৰ একোটা দলক ৯০ দিনৰ বাবে মাজুলীত বাধ্যতামূলক সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। এই দলটো প্ৰসূতি বিশেষজ্ঞ, শিশু বিশেষজ্ঞ, এনাছথেচিয়া ইত্যাদি বিভাগৰ চিকিৎসকৰ দলেৰে গঠিত হ'ব। এনেকুৱা এটা চিকিৎসকৰ দলে ৯০ দিন সেৱা আগবঢ়োৱাৰ পিছতে পৰৱৰ্তী দলটোৱে মাজুলীত উপস্থিত হৈ এই সেৱা অব্যাহত ৰাখিব। তদুপৰি, ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপকৰ একোটা দলেও প্ৰতি সপ্তাহৰ দুই দিনৰ বাবে মাজুলীত

উপস্থিত হৈ মাজুলীৰ জনসাধাৰণলৈ উন্নত চিকিৎসা সেৱা আগবঢ়াব লাগিব। আজিৰ এই বৈঠকতে চিকিৎসা বিভাগৰ তৰফৰ পৰা গড়মূৰস্থিত অসামৰিক চিকিৎসালয়ত এই মাহৰ শেষৰ ফালৰ পৰা মৰণোত্তৰ পৰীক্ষা আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰা হয়।

আজিৰ এই বৈঠকতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত গড়মূৰস্থিত জিলা অসামৰিক চিকিৎসালয়ৰ নৱনিৰ্মিত দুমহলীয়া ভৱন ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখ্য যে, এই জিলা চিকিৎসালয়ৰ নৱনিৰ্মিত ভৱনত ২০০ খন বিচনা থাকিব। তদুপৰি, জটিল আৰু সূক্ষ্ম অস্ত্ৰোপচাৰ কক্ষ, এক্সৰে, চিটি স্কেন, আলট্ৰাচাউণ্ড, লেবৰেটৰীৰ সুবিধা, স্বাস্থ্যজনিত সমস্যাত ভোগা নৱজাতকৰ উন্নত চিকিৎসা প্ৰদান কক্ষ (এছ এন চি ইউ) সহ লেবাৰ ৰুমৰ ব্যৱস্থা ইত্যাদিৰ সুবিধা থাকিব। তদুপৰি, মাজুলীৰ জটিল ৰোগীসকলৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ত সুকীয়া কাউণ্টাৰৰ ব্যৱস্থা কৰা হ'ব বুলিও স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত সাংসদ প্ৰদান বৰুৱা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মননকে ধৰি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল, জিলা উপায়ুক্তকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল, অসম চিকিৎসা মহাবিদ্যালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধীক্ষকসকলো উপস্থিত থাকে।

**স্বাঃক্ষৰ / ৰাঃবঃ**
**৫/০১/২০২১**